بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৮ নৱেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ মহান মৰ্যাদাপ্ৰাপ্ত খলিফা ৰাশিদ ছৈয়দিনা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ গুণাৱলীৰ ঈমান উদ্দীপক ঘটনাৱলী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ জীৱনীৰ ঘটনা সমূহৰ বৰ্ণনা হৈ আছিল। আঁহজৰত (ছাঃ)ৰ দৃষ্টিত হজৰত আবু বক্কৰ (ৰাঃ)ৰ যি মৰ্যাদা আছিল সেই সম্পৰ্কে আগতেও বয়ান কৰা হৈছে যাৰ পৰা জানিব পৰা যায় যে আঁহজৰত (ছাঃ)য়ে তেখেত (ৰাঃ)ক নিজৰ খলিফা চয়ন কৰিব বিচাৰিছিল, বৰঞ্চ এই ইঙ্গিত কৰিছিল যে আল্লাহ তা'লা তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)ক খলিফা নিৰ্বাচিত কৰিব। হজৰত আয়শা (ৰাঃ)য়ে বয়ান কৰিছে যে ৰছুলুল্লাহ (ছাঃ)য়ে নিজৰ অসুস্থৰ সময়ত কৈছিল যে নিজৰ দেউতা আবু বক্কৰ (ৰাঃ)ক মোৰ কাষলৈ মাতি আনা যাতে তেওঁক মই এটা লিখনি দি দিওঁ, কাৰণ মোৰ ভয় আছিল যে অইন কোনোবাই যেন এয়া নকয় যে মই বেছি অধিকাৰপ্ৰাপ্ত হওঁ। কিন্তু আল্লাহ আৰু মোমিনসকলে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বাহিৰে অইন কাৰোবাক অস্বীকাৰ কৰিব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে উফকৰ ঘটনা বৰ্ণনা কৰি কৈছে যে এই ঘটনাৰ এটা সংক্ষিপ্ত ভাগ এয়া যাৰ পৰা স্পষ্ট হৈ যায় যে হজৰত আয়শা (ৰাঃ)ৰ ওপৰত এনেকুৱা অভিযোগ উত্থাপন কৰিছিল যে পাহাৰ ভাঙি পৰিছিল, কিন্তু তাইৰ দেউতাই ৰছুলে কৰিম (ছাঃ)ৰ সৈতে নিজৰ ছোৱালীতকৈ অধিক ভাল পাইছিল। নিজৰ ছোৱালীক সেই অৱস্থাতেই থাকিব দিলে যি অৱস্থাত নবী কৰিম (ছাঃ)য়ে বিচাৰিলে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই বিষয়টো বৰ্ণনা কৰি কৈছিল যে আমি গভীৰ চিন্তা-ভাৱনা কৰা উচিত যে সেই সকল লোক কোনে আছিল যাৰ বদনাম কৰা কপটতা সকলৰ আৰু সিহঁতৰ চৰ্দাৰৰ বাবে উপকাৰ হ'ব পাৰিছিল। হজৰত আয়শাৰ ওপৰত অভিযোগ উত্থাপন কৰি ৰছুলে কৰিম (ছাঃ)

আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ মাজত শত্ৰুতা সৃষ্টি কৰিব পাৰিলে হয়,কাৰণ হজৰত আয়শা (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ স্ত্ৰী আছিল আৰু হজৰত আবু বক্কৰ (ৰাঃ)ৰ ছোৱালী আছিল। এই উভয় অস্তিত্ব এনেকুৱা আছিল যে সিহঁতৰ বদনাম কৰোৱা ৰাজনৈতিক আৰু আচাৰ-আচৰণৰ ক্ষেত্ৰত কিছুমান লোক সকলৰ বাবে লাভবান হ'ব পাৰিলে হয়। হজৰত আয়শাৰ বদনামীৰ ফলত কাৰো কোনো উপকাৰ হ'ব নোৱাৰিলে হয়; এই ধাৰণা জন্ম ললে হয় যে হজৰত আয়শা (ৰাঃ)ৰ সতিনী সকলে হজৰত আয়শা (ৰাঃ)ক ৰছুলে কৰিম (ছাঃ)ৰ দৃষ্টিৰ পৰা বঞ্চিত কৰি নিজৰ স্থান বনালে হয়। কিন্তু ইতিহাস সাক্ষী যে এনেকুৱা একোৱেই হোৱা নাছিল। এজন ঘৈনীয়েক সম্বন্ধে উল্লেখ পোৱা যায় যে যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে তাইক এই সম্বন্ধে জিজ্ঞাসা কৰিলে তেতিয়া তাই উত্তৰ দিছিল যে মই আয়শা (ৰাঃ)ৰ কাৰ্যাৱলী উত্তমৰ বাহিৰে একোৱেই দেখিবলৈ নাপাওঁ।

হাদীছত পোৱা যায় যে চাহাবা সকলে কথা-বতৰা পাতি আছিল যে ৰছুলে কৰিম (ছাঃ)ৰ পিছত যদি কাৰো স্থান আছে সেইজন আবু বক্কৰ (ৰাঃ)। আব্দুল্লাহ বিন আবি ছলিলে যেতিয়া দেখিবলৈ পায় যে ৰছুলে কৰিম (ছাঃ)ৰ পিছত তেওঁৰ বাদশ্বাহৰ অন্ত পাবলগীয়া, তেতিয়া তেওঁ এই ইচ্ছা কৰিছিল যে ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ পিছত মদিনাৰ যেন বাদশ্বাহ হ'ব পাৰে। এই কাৰণে তেওঁ নিজৰ উদ্দেশ্য পূৰণৰ বাবে হজৰত আয়শা (ৰাঃ)ৰ ওপৰত আৰোপ লগায় যাতে ৰছুলে কৰিম (ছাঃ)ৰ হজৰত আয়শা (ৰাঃ)ৰ প্ৰতি ঘৃণা জন্মে আৰু হজৰত আবু বক্কৰ (ৰাঃ) ৰছুলুল্লাহ (ছাঃ) আৰু মুছলমান সকলৰ দৃষ্টিত যি মৰ্যাদা আছিল সেয়া হ্ৰাস পায় আৰু তেখেত (ৰাঃ)য়ে পৰৱৰ্তীত যেন খলিফা অধিষ্ঠিত হ'ব নোৱাৰে। এই বিষয়ে আল্লাহ তা'লা কোৰাণ শ্বৰীফত কৈছে, **ইন্নাল্লাজিনা জায়ু  বিলইফকি উচবাতুম মিনকুম-লা তাহছাবুহু শ্বাৰৰাল লাকুম-বাল হুৱা খায়ৰুল লাকুম-** তোমালোকৰ মাজৰ সেই সকল দল যিসকলে মিছা অভিযোগ উত্থাপন কৰে, এয়া নিজৰ বাবে বেয়া বুলি নাভাৱিবা, বৰং সেয়া তোমাৰ বাবে উত্তম। অৰ্থাৎ কৈছে এই অভিযোগ তোমাৰ বাবে উত্তম আৰু উন্নতিৰ মাধ্যম হৈ যাব।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে, ছুৰা নুৰৰ আৰম্ভণীৰ পৰা শেষলৈকে কেনেকুৱা এটাই বিষয় বৰ্ণনা কৰা হৈছে। আল্লাহ তা'লাই হজৰত আয়শা (ৰাঃ)ৰ ওপৰত হোৱা আৰোপৰ পিছতেই খলিফাৰ কথা উল্লেখ কৰিছে আৰু কৈছে খলিফা বাদশ্বাহ নহয়, খলিফা ঐশ্বৰিক জ্যোতিক প্ৰতিষ্ঠিত ৰখাৰ এটা মাধ্যম হয়। সেই কাৰণে খলিফাক আল্লাই তা'লা নিজৰ হাতেৰে প্ৰতিষ্ঠিত কৰে। সেয়া বিনষ্ট হোৱা নবুয়তৰ জ্যোতি আৰু আল্লাহৰ জ্যোতি নষ্ট হৈ যোৱা। গতিকে সেইজনাই সেই জ্যোতিক নিশ্চিত ভাৱে প্ৰতিষ্ঠিত কৰিব আৰু নবুয়তৰ পিছত বাদশ্বাহ কেতিয়াও প্ৰতিষ্ঠিত হ'ব নিদিব, যাক ইচ্ছা কৰিব খলিফা বনাব, অৰ্থাৎ সেইজনা প্ৰতিশ্ৰুতি কৰে যে মুছলমানৰ পৰা এজন নহয় বৰং অনেক লোক সকলক  খলিফাৰ ওপৰত অধিষ্ঠিত কৰি জেউতিৰ যুগক আৰু অধিক দীৰ্ঘ কৰিব। গতিকে এই ঘটনা আৰু আল্লাহ তা'লাৰ সাক্ষীৰ পৰা প্ৰতীয়মান হৈ গ'ল যে নবীৰ মৃত্যুৰ পিছত সোনকালে খলিফাৰ যি ছিলছিলা আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি অব্যাহত থাকিব লাগিছিল সেয়া অব্যাহত আছে আৰু আকৌ আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি অনুযায়ী হজৰত মছীহ মাওউদ (আঃ)ৰ মাধ্যমে সেই নিজাম প্ৰতিষ্ঠিত হৈছে। হজৰত আবু বক্কৰ (ৰাঃ)ৰ নম্ৰতা আৰু বিনয়ৰ বিষয়ে হজৰত ছাঈদ বিন মুছায়েব (ৰাঃ)য়ে বৰ্ণনা

কৰিছে যে এবাৰ নবী কৰিম (ছাঃ)য়ে নিজৰ চাহাবা সকলৰ সৈতে এখন বৈঠকত বহি আছিল, এজন ব্যক্তি হজৰত আবু বক্কৰ (ৰাঃ)ৰ সৈতে কাজিয়া আৰম্ভ কৰে আৰু তেখেত (ৰাঃ)ক তিনিবাৰ আঘাত হানে কিন্তু তেখেত (ৰাঃ) নিস্তব্ধ থাকিলে আৰু তৃতীয়বাৰৰ মূৰত তেখেত (ৰাঃ)য়ে প্ৰতিশোধ ললে তেতিয়া নবী কৰিম (ছাঃ)য়ে উঠি থিয় হয়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে সুধাত তেখেত (ছাঃ)য়ে কৈছিল যে আকাশৰ পৰা এজন ফিৰিস্তা অৱতৰণ কৰিলে যিজনে এই কথাক মিছলীয়া সাব্যস্ত কৰি আছিল যি কথা সেই ব্যক্তিজনে তোমাৰ সন্দৰ্ভত কৈ আছিল। যেতিয়া তুমি প্ৰতিশোধ ল'লা তেতিয়া চয়তান আহি গ'ল, গতিকে মই এনেকুৱা বৈঠকত নাথাকো  যি বৈঠকত চয়তান আহে। তেখেত (ছাঃ)য়ে কলে,  হে আবু বক্কৰ ! তিনিটা কথা সকলোৰে ওপৰত প্ৰযোজ্য, যেতিয়া কোনো ভৃত্যৰ ওপৰত কোনো বস্তুৰ জৰিয়তে কষ্ট দিয়া হয় আৰু তেওঁ কেৱল আল্লাহৰ খাতিৰে তাৰ পৰা আওকাণ কৰে তেতিয়া আল্লাহ তা'লা নিজৰ সাহায্যৰ মাধ্যমে তেওঁক সন্মানিত কৰে। সেই ব্যক্তি যিজন কোনো দান-বৰঙণিৰ দুৱাৰ মুকলি কৰে যাৰ মাধ্যমে তেওঁৰ ইচ্ছা কেৱল শান্তি আৰু দয়া থাকে, আল্লাহ তা'লা তাৰ মাধ্যমে তেওঁৰ সম্পত্তিক অধিক বৃদ্ধি কৰে। তৃতীয় সেই ব্যক্তি যিজনে ভিকাৰীৰ বাবে দুৱাৰ মুকলি ৰাখে যাৰ কাৰণে তেওঁ নিজৰ সম্পত্তিক বৃদ্ধি হোৱাৰ ইচ্ছা বিচাৰে তেতিয়া আল্লাহ তা'লাই তেওঁৰ অভাৱক দূৰ কৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ গুণাৱলী বৰ্ণনা কৰি কৈছে যে তেখেত (ৰাঃ)য়ে সম্পূৰ্ণ ৰূপে নিষ্ঠাবান, আল্লাহৰ পছন্দনীয়,বৰ নম্ৰ আৰু দয়ালু স্বভাৱৰ মালিক আছিল,আৰু নম্ৰতা আৰু মিছকীন অৱস্থাত জীৱন অতিবাহিত কৰিছিল। বৰ ক্ষমাকাৰী,দয়া আৰু কৃপাৰ বৈশিষ্ট আছিল। তেখেত (ৰাঃ)ক নিজৰ কপালৰ জেউতিৰ দ্বাৰা চিনিব পৰা গৈছিল। তেখেত (ৰাঃ)ৰ আত্মা ৰছুলে কৰিম (ছাঃ)ৰ আত্মাৰ সৈতে সংলগ্ন আছিল। তেখেত কোৰাণ আৰু ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি ভালপোৱা, মানৱৰ প্ৰতি সহানুভূতিত গোটেই লোক সকলৰ পৰা পৃথক আছিল। তেখেত (ৰাঃ) খোদাৰ প্ৰেমৰ ৰঙত ৰঙিন আছিল। সত্য তেখেতৰ দৃঢ়তা, বৰং শৰীৰৰ বৈশিষ্ট আছিল আৰু সেই সত্যৰ প্ৰভাৱ তেখেত (ৰাঃ)ৰ প্ৰত্যেক কথন আৰু কৰ্মত প্ৰকাশ পাইছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আবু বক্কৰ (ৰাঃ)ৰ বাঞ্ছনীয় গুণ আল্লাহ তা'লাৰ পৰা মোৰ ওপৰত প্ৰকাশিত হৈছে।

তেখেত (ৰাঃ)ৰ ইচ্ছা আল্লাহৰ তা'লাৰ ওপৰত ভৰসা কৰা, পাৰ্থিৱ জগতৰ প্ৰতি ধ্যান-ধাৰণা কম আছিল,আৰু তেখেত (ৰাঃ)য়ে আচাৰ-আচৰণত আমাৰ প্ৰিয় আকা ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতিবিম্ব আছিল, আৰু তেখেত (ৰাঃ)ৰ তেখেত (ছাঃ)ৰ সৈতে চিৰকলীয়া সম্বন্ধ আছিল তাৰ কাৰণ এয়া যে তেখেত (ৰাঃ)যে হুজুৰ (ছাঃ)ৰ পৰা সেই কল্যাণ আৰু আশীস প্ৰাপ্ত হৈছিল যি অইন সকলে দীৰ্ঘ কাল আৰু সময়ৰ পিছতও সেয়া প্ৰাপ্ত কৰিব নোৱাৰিছিল।

হজৰত আলী বিন আবি তালিব (ৰাঃ)য়ে বয়ান কৰিছে যে ৰছুলে কৰিম (ছাঃ)য়ে কৈছে যে প্ৰত্যেক নবীক সাতজন সম্ভ্ৰান্ত সংগী দিয়া হৈছে আৰু মোক চৌধ্যজন দিয়া হৈছে, হজৰত আবু বক্কৰ (ৰাঃ)ৰ তাৰ মাজত এজন।

আঁহজৰত (ছাঃ)য়ে তবুকৰ পৰা ওভতি অহাৰ পিছত জানিব পাৰে যে পৌত্তলিক সকলে আন আন লোক সকলৰ সৈতে মিলিত হৈ হজ্ব কৰে আৰু শিৰক শব্দাৱলী কয় আৰু খানা কাবাত উলঙ্গা হৈ

প্ৰদিক্ষণ কৰে, যাৰ কাৰণে তেখেত (ছাঃ)য়ে সেই বছৰ হজ্ব কৰাৰ পৰা বিৰত থাকে। তেখেত (ছাঃ)য়ে ৯ হিজৰীত হজৰত আবু বক্কৰ (ৰাঃ)ক আমিৰে হজ্ব নিযুক্ত কৰি মক্কাৰ ফালে ৰাওনা কৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তিনি শ মুছলমানৰ সৈতে মক্কালৈ ৰাওনা হয়। আঁহজৰত (ছাঃ)য়ে কোৰবাণীৰ বিশটা মান জানুৱাৰ তেখেত (ৰাঃ)ৰ সৈতে ৰাওনা কৰে যাৰ গলত আঁহজৰত (ছাঃ)য়ে নিজৰ হাতেৰে কোৰবাণী পশুৰ গলত **গানিয়া** পিন্ধোৱায় আৰু চিহ্ন লগায়,তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজেও নিজৰ সৈতে পাঁচটা কোৰবাণীৰ পশু লৈ যায়। ৰিৱায়ত পোৱা যায় যে হজৰত আলী (ৰাঃ)য়ে ছুৰা তৌবাৰ প্ৰাৰম্ভিক আয়াত সমূহ এই হজ্বত পঢ়িছিল, যাৰ বিস্তাৰিত হজৰত আলী (ৰাঃ)ৰ বিষয়ে কৰা উল্লেখ সমূহৰ আগতে বৰ্ণনা কৰা হৈছে। হুজুৰ কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ উল্লেখ ইনশা আল্লাহ পৰৱৰ্তীলৈ অব্যাহত থাকিব।

খোতাবৰ শেষত হুজুৰ আনোৱাৰ (আইঃ) যে কিছুমান মৰহুমিন (মৃত ব্যক্তি) সকলৰ সোঁৱৰণৰ কথা উল্লেখ কৰি নামাজে জানাজা পঢ়াৰ ঘোষণা কৰে। তাৰ মাজত এজন উপস্থিতি জানাজা মাননীয় মহম্মদ দাউদ জাফৰ চাহাব মুৰববী ছিলছিলা; মাননীয়া ৰুকিয়া স্বমিম বেগম চাহিবা স্ত্ৰী মাননীয় মাউলানা কৰম ইলাহি জাফৰ চাহাব মৰহুম আৰু মাননীয় তাহিৰা হানিফ চাহিবা স্ত্ৰী চাহাবজাদা মিৰ্জা হানিফ আহমদ চাহাবৰ জানাজা গায়েব আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, তৃতীয় জনী হ'ল মাননীয়া তাহিৰা হানিফ চাহিবা যিজনী ছৈয়দ জয়নুল আবেদিন ওলীউল্লাহ শ্বাহ চাহাবৰ ছোৱালী আছিল আৰু মিৰ্জা হানিফ আহমদ চাহাব মৰহুমৰ স্ত্ৰী আছিল। হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ বোৱাৰী আছিল আৰু মোৰ মামী আছিল। ১৯৩৬ চনত কাদিয়ানত জন্ম গ্ৰহণ কৰিছিল। তাইৰ পিতৃ ছৈয়দ জয়নুল আবেদিন ওলীউল্লাহ শ্বাহ চাহাব আছিল যিয়ে বুখাৰীৰ শ্বৰাহও লিখিছে। তাইৰ মাতৃৰ নাম ছৈয়দা ছায়াৰাহ চাহিবা, যাৰ সম্বন্ধ দামাস্কৰ সৈতে আছিল। তাইৰ দাদা হজৰত ডাক্তৰ ছৈয়দ আব্দুছ ছাত্তাৰ শ্বাহ চাহাব (ৰাঃ)ৰ মাধ্যমে তাইৰ বংশত আহমদীয়ত বিস্তাৰ লাভ কৰিছে যিজন হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ নানা আছিল। এইদৰে তাই হুজুৰ (ৰহঃ)ৰ মামাৰ ছোৱালী আছিল। আল্লাহ তা'লাই তেখেতক তিনিজন ল'ৰা আৰু এজনী ছোৱালী দান কৰে। খলিফাৰ সৈতে নিষ্ঠাৰ সম্বন্ধ আছিল। মোক নিয়মিত ভাৱে চিঠি লিখি থাকিছিল। প্ৰত্যেক খোতবাৰ পিছত বেছিভাগ সেইজনীৰ চিঠি আহিছিল আৰু তাতে বিভিন্ন ধৰণৰ বিৱৰণ আছিল। দুখীয়াৰ প্ৰতি দয়ালু আছিল। আল্লাহ তা'লা তাইৰ সৈতে ক্ষমাৰ আচৰণ কৰক, পুণ্যবান সকলৰ মাজৰ অন্তৰ্ভুক্ত কৰক আৰু তেখেতৰ ল'ৰা-ছোৱালীক তেখেতৰ পুণ্যক অব্যাহত ৰখাৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844